অতীতৰ নবীসকলৰ পৰা মানুহে এই কথা জানিব পাৰিছে যে, যদি তোমাৰ লাজ নাথাকে তেনেহ’লে যি ইচ্ছা সেইটোৱে কৰা।

ইবনে মাছউদ উকবাহ ইবনে আমৰ আল-আনচাৰী আল-বাদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত-
তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামে কৈছে: "অতীতৰ নবীসকলৰ পৰা মানুহে এই কথা জানিব পাৰিছে যে, যদি তোমাৰ লাজ নাথাকে তেনেহ’লে যি ইচ্ছা সেইটোৱে
কৰা।"
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত পূৰ্বৱৰ্তী নবীসকলৰ উপদেশ উল্লেখ কৰিছে। যিটো উপদেশ মানুহে যুগে যুগে পৰস্পৰে পৰস্পৰক আদান প্ৰদান কৰিছিল। অৱশেষত সেই উপদেশ এই উম্মতৰ প্ৰথম সময়ছোৱাত আহি পাইছে। সেয়া হৈছে এই যে, তুমি কৰিব বিচৰা কামটোৰ পিনে চোৱা, যদি সেইটো কোনো লাজ পাবলগীয়া বিষয় নহয় তেন্তে সেইটো কৰা। আনহাতে যদি সেই কামটো এনেকুৱা হয় যে, সেইটো কৰিলে লাজ পাবলগীয়া হ'ব পাৰে তেন্তে সেইটো নকৰিবা। কাৰণ লাজেই মানুহক বেয়া কামৰ পৰা বিৰত ৰাখে। এতেকে যদি লাজ নাইকিয়া হৈ যায় তেন্তে মানুহে সকলো প্ৰকাৰৰ অশ্লীল কৰ্ম কৰাত কোনো কুণ্ঠাবোধ নকৰে।

https://sunnah.global/hadeeth/as/show/66523